**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে কাইলৈ ১৪ খন জিলাত ভোটগ্ৰহণ।

২। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নেতাগৰাকীৰ প্ৰতিমূৰ্তি উন্মোচন।

৩। ৰাজ্যত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত দেশ বিৰোধী মন্তব্য কৰাৰ বাবে গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ৩৬লৈ বৃদ্ধি।

৪। শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বত আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন। অসমতো বিভিন্ন কাৰ্যসূচী। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে পাঞ্জাব কিংছৰ ৪ উইকেটত জয়লাভ।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে কাইলৈ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত সামৰি ল'বলগীয়া জিলাসমূহৰ ভিতৰত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলা আছে। ভোটগ্ৰহণৰ বাবে বিভিন্ন ভোট কেন্দ্ৰত নিয়োজিত বিষয়ববীয়াসকল ইতিমধ্যে কেন্দ্ৰলৈ ৰাওনা হৈছে।

**ডিব্ৰুগড়** জিলাৰ ২২ খন জিলা পৰিষদ, ৯৩ খন গাঁও পঞ্চায়ত আৰু ৭টা আঞ্চলিক পঞ্চায়তৰ নিৰ্বাচনৰ বাবে এহেজাৰ ১৬৫টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ৬২টা কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

**মাজুলী** জিলাৰ ৪টা জিলা পৰিষদ সমষ্টি আৰু ২০ খন গাঁও পঞ্চায়তৰ নিৰ্বাচনৰ বাবে ২১৩টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। জিলাখনৰ দুৰ্গম যাতায়াত তথা দূৰণিৰ ভোটগ্ৰহণ কেন্দ্ৰত প'লিং বিষয়াসকল আজি পুৱাৰ পৰাই কেন্দ্ৰসমূহলৈ ৰাওনা হৈছে।

তিনিচুকীয়া জিলাতো কাইলৈ হ'বলগীয়া নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখনত নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ তিনিচুকীয়াৰ সংবাদদাতা মনোৰঞ্জন মৰাণ — **ভইচ মনোৰঞ্জন মৰাণ**

**কাছাৰ** জিলাত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে জিলাখনৰ বিভিন্ন ভোট কেন্দ্ৰত নিয়োজিত বহু বিষয়ববীয়া কালি কেন্দ্ৰসমূহলৈ ৰাওনা হয়। জিলাখনৰ ৭টা বিধানসভা সমষ্টিৰ ২৫ খন জিলা পৰিষদত এহেজাৰ ৭০৬টা ভোটকেন্দ্ৰ আছে। ইয়াৰে ২৭৪টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত হ'ব।

**শ্ৰীভূমিৰ** পঞ্চায়ত নিৰ্বাচনৰ বেলট বাকচ ৰখাৰ বাবে কৰিমগঞ্জ মহাবিদ্যালয়ত ষ্ট্ৰং ৰুমৰ ব্যৱস্থা কৰা হৈছে। ষ্ট্ৰং ৰুমৰ কাষতে ভোটগণনা কক্ষৰো ব্যৱস্থা কৰা হৈছে।

নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত সামৰি ল'বলগীয়া জিলাসমূহত কাইলৈৰ দিনটো স্থানীয় বন্ধৰ দিন হিচাপে ঘোষণা কৰা হৈছে। এই সময়ছোৱাত জিলাসমূহৰ পঞ্চায়ত নিৰ্বাচন ক্ষেত্ৰৰ অন্তৰ্গত অঞ্চলৰ সকলো চৰকাৰী বেচৰকাৰী কাৰ্যালয়, পঞ্চায়ত আৰু স্থানীয় নগৰ নিকায়, শিক্ষানুষ্ঠান, বেংক, ব্যৱসায়িক প্ৰতিষ্ঠান, চাহ বাগিছা, উদ্যোগ আদি বন্ধ থাকিব। ভোটগ্ৰহণ হ'বলগীয়া জিলাসমূহত কাইলৈ আবেলি চাৰে ৪ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

ইপিনে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ পাছত ৰাজনৈতিক দলসমূহে দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া জিলাসমূহত প্ৰচাৰত মনোনিৱেশ কৰা পৰিলক্ষিত হৈছে।

কামৰূপ জিলাৰ প্ৰচাৰ অভিযান সম্পৰ্কত এয়া আমাৰ সংবাদদাতা কৌশিক দাস— **ভইচ (কৌশিক দাস)**

০০০০০০

বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰত দতমাৰ থুলুংগাপুৰীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বড়োফাৰ স্মৃতিত শ্ৰদ্ধা জনাই আয়োজিত এই অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা উপস্থিত থাকিব। বড়োফাৰ স্মৃতিত এবছুৰে আজি বিয়লি চাৰে ৫ বজাত বিটিআৰকে ধৰি ৰাজ্যৰ প্ৰতিঘৰ আৰু ৰাজহুৱা স্থানত ৫ লাখ মাটিৰ চাকি আৰু মমবাতি জ্বলোৱাৰ সিদ্ধান্ত লৈছে।

ইপিনে, অসম চৰকাৰৰ উদ্যোগত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে আজি নতুন দিল্লীত হ'বলগীয়া এটা অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব আৰু এম চি ডি পাৰ্কত এখন ৰাজহুৱা সভাত ভাগ ল'ব। তেওঁ লগতে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে এটা পথৰ নামকৰণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিশেষ অতিথি হিচাপে ভাগ ল'ব। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু দিল্লীৰ মেয়ৰ ৰাজা ইকবাল সিং অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ৩৬ লৈ বৃদ্ধি পাইছে। আৰক্ষীয়ে শেহতীয়াকৈ দেশ বিৰোধী মন্তব্য কৰাৰ বাবে বঙাইগাঁৱৰ পৰা নাজিবুল ইছলাম আৰু শ্ৰীভূমিৰ পৰা ছানাজ হুছেইনক গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে ভাৰত বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। একেদৰে হাইলাকান্দিত ৩ জন, শ্ৰীভূমি, চিৰাং, কোকৰাঝাৰ, কামৰূপ, গোৱালপাৰা আৰু নগাঁৱত দুজনকৈ তথা বিশ্বনাথ, দৰং, গোলাঘাট, ধুবুৰী, লখিমপুৰ, মৰিগাঁও, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা মানকাচৰ আৰু তামুলপুৰ জিলাৰ এজনকৈ লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০০

শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে। আজিৰ এই দিনটো মে' দিৱস হিচাপেও পৰিচিত। অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজে স্বীকাৰ কৰি অহা ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

কামৰ সময় দৈনিক ৮ ঘণ্টা নিৰ্ধাৰণৰ দাবীত ১৮৮৬ চনৰ আজিৰ দিনটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত অনুষ্ঠিত এখন বিশাল শ্ৰমিক সমাবেশৰ স্মৃতিচাৰণেৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - 'শ্ৰমিকসকলৰ সুৰক্ষা আৰু স্বাস্থ্য'। এই বিষয়বস্তুৰ জৰিয়তে শ্ৰমিকসকলৰ সুস্বাস্থ্য তথা নিৰাপত্তাৰ বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে। দেশৰ ভিন্ন প্ৰান্তৰ লগতে ৰাজ্যতো আজি শ্ৰমিক দিৱস পালন কৰা হৈছে।

কামৰূপ জিলাত আজি বিভিন্ন শ্ৰমিক সংগঠনৰ উদ্যোগত মে' দিৱস পালন কৰা হৈছে। উত্তৰ গুৱাহাটীত শ্ৰমিক সমন্বয় সমিতিৰ উদ্যোগত শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। শ্ৰমিক দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলো শ্ৰমিকলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয়সাপেক্ষে মেঘালয়ৰ শ্বিলঙৰ সমীপৰ মাওলিনখুঙৰ পৰা শিলচৰৰ ওচৰৰ পাঁচগ্ৰামলৈ এটা দ্ৰুত গতিসম্পন্ন কৰিড'ৰ নিৰ্মাণৰ প্ৰস্তাৱত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি নতুন দিল্লীত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ সিদ্ধান্তৰ বিষয়ে সাংবাদিকক অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা সদৰি কৰে। তেওঁ কয় যে এই প্ৰকল্পই উত্তৰ পূৰ্বাঞ্চলৰ আমূল পৰিৱৰ্তন সাধন কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে এই পথটোৰ দৈৰ্ঘ্য ১৬৬ কিলোমিটাৰৰো অধিক হ'ব আৰু পথটোৱে ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ আৰু বৰাক উপত্যকাৰ সৈতে যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিব। আন্তঃগাঁথনি উন্নয়নৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ এই প্ৰকল্পটোৱে গুৱাহাটী, শ্বিলং আৰু শিলচৰৰ মাজত আন্তঃচহৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধন কৰিব আৰু ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যান-জঁট হ্ৰাস কৰাত সহায় কৰিব।

কাম সম্পূৰ্ণ হৈ উঠাৰ পাছত এই প্ৰকল্পটোৱে অসম, মেঘালয়, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ আৰ্থ-সামাজিক উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্বিলং আৰু শিলচৰৰ মাজত কৰিড'ৰ নিৰ্মাণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ শলাগ লৈছে।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী শ্ৰীবৈষ্ণৱে লগতে চৰকাৰে পৰৱৰ্তী লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছে বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে দেশৰ সামাজিক গাঁথনি যাতে বিঘ্নিত নহয় সেই কথা বিবেচনা কৰি জৰীপৰ পৰিৱৰ্তে লোকপিয়লত জাতিগত গণনা অন্তৰ্ভুক্ত কৰা উচিত। এনে গণনাই সমাজৰ আৰ্থ-সামাজিক পৰিকাঠামো সুদৃঢ় কৰিব আৰু ৰাষ্ট্ৰৰ প্ৰগতি অব্যাহত থাকিব বুলি শ্ৰীবৈষ্ণৱে উল্লেখ কৰে।

-বাইট-

০০০০০

চৰাইদেউ জিলাৰ বিশিষ্ট ক্ৰীড়া সংগঠক তথা সমাজ সেৱিকা অঞ্জলী মোহন চেতিয়াক টাই-আহোম যুৱ পৰিষদৰ চৰাইদেও জিলা সমিতিয়ে কালি ২০২৫ বৰ্ষৰ বীৰাঙ্গনা মূলাগাভৰু বঁটা প্ৰদান কৰে। এই বঁটাত আছে এখন চেলেং, গামোচা, জাপি, এখন হেংদাং, সম্বৰ্ধনা পত্ৰ আৰু এটা স্মাৰক পত্ৰ। অনুষ্ঠানৰ লগত সংগতি ৰাখি **ব্লুক চেন মৌং** শীৰ্ষক স্মৃতিগ্ৰন্থ যোৰহাট মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ দেৱব্ৰত শৰ্মাই উন্মোচন কৰে।

০০০০০০

ভাষাৰ ওজা, হেমকোষ অভিধানৰ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। হেমচন্দ্ৰ বৰুৱাৰ ১২৯ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি আজি গুৱাহাটী বিশ্ববিদ্যালয়ত থকা প্ৰতিমূৰ্তিস্থলীত ভাষাৰ ওজাগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। বিশ্ববিদ্যালয়ৰ পৰিয়ালৰ লগতে ভাষাৰ ওজাগৰাকীৰ পৰিয়ালৰ উপস্থিতিত আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সংক্ষিপ্ত স্মৃতিচাৰণ সভা, গছপুলি ৰোপন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

গোলাঘাট জিলাৰ দেৰগাঁৱৰ তিনিআলিত থকা হেমচন্দ্ৰ বৰুৱাৰ আবক্ষ মূৰ্তিৰ সন্মুখত কালি বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানত গোলাঘাট নাগৰিক মঞ্চৰ সভাপতি ৱাজিদুৰ ৰহমান প্ৰমুখ্যে কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। নুমলীগড়ৰ তেলগৰমতো কালি বৰ্ণাঢ্য কাৰ্যসূচীৰে হেমচন্দ্ৰ বৰুৱাক স্মৰণ কৰা হয়।

উল্লেখযোগ্য যে অসমীয়া ভাষা সাহিত্যৰ একনিষ্ঠ সেৱক হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা প্ৰনয়ণ কৰা হেমকোষ অভিধান তেওঁৰ মৃত্যুৰ পাছত ১৯০০ চনত প্ৰকাশ কৰা হৈছিল। তেঁওৰ জন্মদিন অৰ্থাৎ ১০ ডিচেম্বৰৰ দিনটো অন্ধবিশ্বাস আৰু কুসংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰি অহা হৈছে।

০০০০০০

বাৰিষাৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পৰ হাতী ছাফাৰী পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত পৰ্যটকৰ বাবে আজিৰ পৰা বন্ধ থাকিব। অৱশ্যে বতৰৰ ওপৰত নিৰ্ভৰ কৰি জীপ ছাফাৰী ১৫ মে'লৈকে খোলা থাকিব বুলি মঙলদৈৰ বন্যপ্ৰাণী  সংমণ্ডলৰ বন সংমণ্ডল বিষয়াই জানিবলৈ দিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে চেন্নাই ছুপাৰ কিংছক ৪ উইকেটত পৰাস্ত কৰে। খেলখনত চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অ'ভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯০ ৰান সংগ্ৰহ কৰে। চেন্নাইৰ হৈ চেম কুৰেনে ৪৭ টা বলত সৰ্বাধিক ৮৮ ৰান কৰে। ডিৱাল্ড ব্ৰেভিছে ২৬ টা বলত ৩২ ৰানৰ বৰঙণি আগবঢ়ায়।  পাঞ্জাব কিংছৰ হৈ য়ুজবেন্দ্ৰ চহলে ৪টা উইকেট দখল কৰে। অৰ্শদীপ সিং আৰু মাৰ্ক জেনচেনে দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে ১৯১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দুটা বল খেলিবলৈ বাকী থকা অৱস্থাত ছটা উইকেট হেৰুৱাই ১৯৪ ৰান সংগ্ৰহ কৰে। পাঞ্জাবৰ হৈ অধিনায়ক শ্ৰেয়াস আয়াৰে ৪১ টা বলত ৭২ ৰান কৰে। অ'পেনাৰ প্ৰভচিমৰন সিঙেও অৰ্ধ শতক অৰ্জন কৰে। শ্ৰেয়াস আয়াৰক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ান্‌ছ ৰাজস্থান ৰয়েল্‌ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

ৰাজ্যৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা, দেশত প্ৰথমবাৰলৈ জাতিগত গণনাৰ বাবে মন্ত্ৰীসভাৰ সিদ্ধান্ত গ্ৰহণ, যিকোনো মুহূৰ্ততে পাক অধিকৃত কাশ্মীৰত ভাৰতৰ আক্ৰমণৰ সম্ভাৱনা আদি বিভিন্ন বাতৰি আজিৰ কাকতসমূহৰ প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ পাইছে। কালি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত গ্ৰামাঞ্চলৰ শিক্ষাৰ্থীৰ আশাপ্ৰদ সাফল্যৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে

প্ৰকাশ কৰিছে। দেশত সামাজিক বৈষম্য আঁতৰোৱাৰ উদ্দেশ্যে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে দেশজুৰি জাতিগত গণনাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতখনে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী হাইক'ৰ্ট বাৰ এছ'চিয়েচনৰ সদস্যপদ ত্যাগ কৰাৰ এটা বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আৰ এছ এছৰ মুৰব্বী মোহন ভাগৱতৰ মাজত অনুষ্ঠিত বৈঠকত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে কঠোৰ অভিযানৰ পোষকতা কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত উচ্চস্তৰীয় বৈঠকত আলোক যোশীক অধ্যক্ষ হিচাপে লৈ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা পৰিষদ পুনৰ গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। 'দেশৰ ধনাঢ্য মহিলা ৰাজনীতিকৰ তালিকাত অসমৰ ৫ গৰাকী' শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে এ ডি আৰৰ সমীক্ষাৰ এটা বাতৰি প্ৰকাশ কৰিছে। গুৱাহাটী আৰু শিলচৰক সংযোগ কৰিবলগীয়া দ্ৰুত গতিসম্পন্ন কৰিড'ৰ নিৰ্মাণত অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক মন্ত্ৰী পৰিষদৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে অন্যতম মুখ্য বাতৰিৰ স্থান দিছে। হজযাত্ৰীৰ প্ৰথমটো দল পৰহিলৈ গুৱাহাটীৰ পৰা ৰাওনা হ'ব। এই বাতৰিটো **দা ছেণ্টিনেল** কাকতে 'First batch of Haj pilgrims to leave Guwahati on May 3' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ যাওঁ।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকণিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। ৰাজ্যকেইখনত প্ৰতিঘণ্টাত ৩০ৰ পৰা ৬০ কিলোমিটাৰ বেগেৰে বতাহ বলিব পাৰে বুলিও বতৰ বিজ্ঞান বিভাগে সকিয়াই দিছে।

০০০০০০

ডিব্ৰুগড়ৰ খলিহামাৰী নিবাসী সৰবৰহী মহিলা মফিদা শ্বাহৰ আজি পুৱা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮০ বছৰ। ১৯৬৩ চনত মুক্তি পোৱা তেজীমলা ছবিত তেজীমলাৰ সখীয়েকৰ ভূমিকাত অভিনয় কৰা মফিদা শ্বাহ বিভিন্ন সাংস্কৃতিক কামৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

সমাপ্ত